যদি কোনো ব্যক্তিয়ে য়ামানত অৱস্থিত আদান চহৰৰ পৰাও ইয়াত দ্বীন বিৰোধী কোনো পাপকৰ্ম কৰাৰ ইচ্ছা কৰে, তথাপিও আল্লাহে তাক কষ্টদায়ক শাস্তি বিহিব।

আব্দুল্লাহ বিন মাছউদ -ৰাদ্বিয়াল্লাহু আনহু -ৰ পৰা মাৰফু হিচাপে বৰ্ণিত, সৰ্বশক্তিমান আল্লাহৰ এই বাণী সম্পৰ্কে কৈছেঃ {وَمَنْ يُرِدْ فِيهِ بِإِلْحَادٍ بِظُلْمٍ نُذِقْهُ مِنْ عَذَابٍ أَلِيمٍ} [الحج: 25] অৰ্থঃ "হাৰামত যিয়ে অন্যায়ভাৱে ইলহাদ তথা দ্বীনবিৰোধী পাপ কৰ্মৰ ইচ্ছা কৰে, আমি তাক যন্ত্ৰণাদায়ক শাস্তি ভোগ কৰাম।" তেওঁ কৈছেঃ "যদি কোনো ব্যক্তিয়ে য়ামানত অৱস্থিত আদান চহৰৰ পৰাও ইয়াত দ্বীন বিৰোধী কোনো পাপকৰ্ম কৰাৰ ইচ্ছা কৰে, তথাপিও আল্লাহে তাক কষ্টদায়ক শাস্তি বিহিব।"

[ছহীহ] [رواه أحمد والحاكم]

আব্দুল্লাহ বিন মাছঊদ ৰাদ্বিয়াল্লাহু আনহুৱে সৰ্বশক্তিমান আল্লাহৰ এই আয়াত সম্পৰ্কে কৈছেঃ {وَمَنْ يُرِدْ فِيهِ بِإِلْحَادٍ بِظُلْمٍ نُذِقْهُ مِنْ عَذَابٍ أَلِيمٍ} [الحج: 25] যদি কোনো ব্যক্তিয়ে মক্কাৰ হাৰামত কোনো বেয়া কৰ্ম কৰাৰ পৰিকল্পনা কৰে, যাৰ দ্বাৰা হাৰামৰ পৱিত্ৰতা উলংঘা হয়, যেনে- মুখেৰে বেয়া কথা কোৱা, কাৰোবাক জানি বুজি হত্যা কৰা। এইবোৰ হৈছে ঘোৰ অন্যায়। এই পৰিকল্পনা যদি য়ামানৰ দৰে দূৰৱৰ্তী স্থানত বহিও কৰে তথাপিও সি আল্লাহৰ ফালৰ পৰা কষ্টদায়ক শাস্তিৰ সন্মুখীন হ'ব। যদিও সি সেই পৰিকল্পনাটো কাৰ্য্যত পৰিণত নকৰে। কেৱল সংকল্প কৰাটোৱে ইয়াৰ বাবে যথেষ্ট।

http://www.sunnah.global/hadeeth/as/show/65331